**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-07-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

ৰাজ্যত দুবাৰ মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে তেজপুৰত কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শৈক্ষিক বৰ্ষৰ সময়সূচী নিৰ্ধাৰণৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে বিভাগৰ তৰফৰ পৰা এখন সমিতি গঠন কৰা হৈছে। অহা ১ আগষ্টৰ পৰা ৰাজ্যৰ মহাবিদ্যালয়সমূহত পাঠদান কাৰ্যসূচী আৰম্ভ হ'ব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে শৈক্ষিক বৰ্ষৰ সময়সূচীক লৈ ৰাজ্যৰ শিক্ষা বিভাগে কোনো সিদ্ধান্ত লোৱা নাই আৰু এই সন্দৰ্ভত এখন সমিতি গঠন কৰা হৈছে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে দৰং জিলাৰ ছিপাঝাৰত এখন নতুন প'লিটেকনিক ইনষ্টিটিউট স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা কৰিছে। শোণিতপুৰৰ শিয়ালমাৰীত নিৰ্মাণ কৰা আদৰ্শ আৱাসিক বিদ্যালয়খনত নৱদয় বিদ্যালয় স্থাপন কৰা হ'ব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে মন্তব্য কৰে।

০০০০০০

গোলাঘাট জিলাৰ বিভিন্ন স্থানত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ধনশিৰি নৈৰ জলপৃষ্ঠ ক্ৰমাৎ বাঢ়ি অহা পৰিলক্ষিত হৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে ইতিমধ্যে সৰুপথাৰ, বৰপথাৰ, নুমলিগড়, খুমতাই, মৰঙি আদি অঞ্চলৰ দুকুৰিৰো অধিক গাওঁ প্লাৱিত কৰিছে। সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজান কৈৱী গাঁও, চেৰাগুৰি, শিঙিমাৰী, শিমলুচাপৰি আদি অঞ্চল বানে প্লাৱিত কৰাৰ ফলত ৰাইজে ঘৰ এৰি মথাউৰিত আশ্ৰয় ল'বলগীয়া হৈছে। বানাক্ৰান্ত লোকসকলে ইতিমধ্যে জিলা প্ৰশাসনে ব্যৱস্থা কৰি দিয়া শিবিৰত আশ্ৰয় গ্ৰহণ কৰাৰ লগতে পশুধন সমূহকো নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। ইফালে খুমতাই বিধানসভা সমষ্টিৰ মৰঙি ৰাজহ চক্ৰৰ অধীনত কুৰিখনৰো অধিক গাওঁত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে আতংকৰ সৃষ্টি কৰিছে। ধনশিৰি নৈৰ দাতিকাষৰীয়া মইনাপাৰা, কাঠকটীয়া, কুৰুকা, শালমৰা গ্ৰাণ্ট, ঢুলিয়াগাওঁ, দুখুতিমুখ, তিনি নম্বৰ ভোলাগুৰি, কৈৱৰ্তগাওঁ, চেচামুখ, কৰদৈগুৰি, কেন্দুগুৰি আদি গাঁৱত বৃদ্ধি হোৱা ধনশিৰি নৈৰ বাঢ়নি পানীয়ে পথ আৰু ঘৰৰ ভেটি বুৰাই পেলাইছে। ইয়াৰ উপৰি শালি খেতিৰ লগতে বিভিন্ন শাক পাচলিৰ খেতি বাঢ়নি পানীয়ে বুৰাই পেলোৱাত কৃষক ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা উদ্ধাৰ অভিযান অব্যাহত আছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

০০০০০০

লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল কালিৰ পৰা পুনৰ আৰম্ভ হয়। মাইবং-দাওতুহাজা আৰু মুপা-দিহাখুৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বহুকেইখন ৰে'লৰ সময়সূচী সলনি তথা কেইবাখনো ৰে'ল অঞ্চলটোত আবদ্ধ হৈ পৰিছিল। গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গুৱাহাটী-ৰঙিয়া এক্সপ্ৰেছ ৰে'লখন হাতীখালী ষ্টেচনত আৱদ্ধ হৈ পৰিছিল।

একেদৰে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ৰে'লখন লামডিং ষ্টেচনত আৰু গুৱাহাটী-দুৰ্লভছৰা এক্সপ্ৰেছ ৰে'লখন লাংটিং ষ্টেচনত আৱদ্ধ হৈ আছিল। আগৰতলা-দেওঘৰ এক্সপ্ৰেছ ৰে'লখনো হাফলং ষ্টেচনত আৱদ্ধ হৈ আছিল। ভূমিস্খলন সংঘটিত হোৱা ৰে'লপথছোৱা মুকলি কৰাৰ পাছতে পুনৰ ৰে'ল চলাচল আৰম্ভ হয়।

0000000

বিশ্বনাথ জিলাৰ আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ অধ্যক্ষই জিলাখনৰ বিভিন্ন স্থান আৰু নদীৰ ঘাট আদিত সাঁতোৰা অথবা গাঁ-ধোৱাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে বাধা আৰোপ কৰিছে। জিলাখনৰ কুৰিটা স্থানত সাঁতোৰা আৰু গাঁ-ধোৱাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰা হৈছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি জিলাখনত বৰগাং নদীৰ টেঙাবস্তি অঞ্চল, বুৰিগাং নদীত ফতিকা শ্লুইছ গে'ট, ছোৱাগুৰি, ভঙা মথাউৰি, দুই নম্বৰ চালিয়াৰ অজলা সুতি বিল, বিশ্বনাথ ঘাট আদিত সাঁতোৰা আৰু গাঁ-ধোৱাত নিষেধাজ্ঞা জাৰি কৰিছে।

একেদৰে হেলেম ৰাজহচক্ৰৰ অন্তৰ্গত চাৰিটাকৈ স্থানত, গহপুৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ অন্তৰ্গত ছটাকৈ স্থানত, এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলাখনৰ শেহতীয়াকৈ বিভিন্ন স্থান পানীত ডুবি মৃত্যু হোৱা ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি সকলো নাগৰিক আৰু দৰ্শনাৰ্থীক এই নিষেধাজ্ঞা কঠোৰভাৱে পালন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

0000000

হোজাই জিলাতো বিকশিত কৃষি সংকল্পৰ অভিযান কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। নগাঁও জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু হোজাই জিলাৰ দুই নম্বৰ বামুনগাঁও কৃষি উন্নয়ন চক্ৰৰ আন্তৰ্গত উদালি গাঁও পঞ্চায়তত দিনৰ ভাগত উদ্বোধনী কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। নগাঁও কৃষি বিষয়া আলটাফ হুছেইনে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত নগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞৰ লগতে দুই শতাধিক কৃষকে অংশগ্ৰহণ কৰে। কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ লগতে কৃষক পঞ্জীয়ন, মাটিৰ স্বাস্থ্য কাৰ্ড, ফচল বীমা আদিৰ বিষয়ে কৃষকসকলক অৱগত কৰোৱা হয়। আধুনিক কৃষি পদ্ধতিৰে কিদৰে খেতিয়কসকল অধিক লাভান্বিত হ'ব পাৰে সেই বিষয়েও কৃষি বিশেষজ্ঞই কৃষকসকলক পৰামৰ্শ প্ৰদান কৰে।

0000000

অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে ৩টাকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব বুলি অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। নেহৰু ষ্টেডিয়ামৰ অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে বছৰৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদ, জীৱনজোৰা ক্ৰীড়া সাধনা বঁটা আৰু বছৰৰ উদীয়মযান খেলুৱৈ বঁটা প্ৰদান কৰা হ'ব। অৰ্জুন মনালিছা বৰুৱা, অভিজিত ভট্টাচাৰ্যকে ধৰি ৩ গৰাকী খেলুৱৈৰে গঠিত এখন সমিতিয়ে শ্ৰেষ্ঠ খেলুৱৈসকলক বাছনি কৰিব। অহা ৩ ছেপ্তেম্বৰত শিৱসাগৰত এই কাৰ্যসূচী আয়োজিত হ'ব বুলি শ্ৰীসোণোৱালে জানিবলৈ দিয়ে।

0000000

**সমাপ্ত**